**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-DEC-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২১ ডিচেম্বৰত নামৰূপ সাৰ কাৰখানাত নতুন ব্ৰাউনফিল্ড এমনিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে নামৰূপত এখন জনসভাতো অংশ ল'ব। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি প্ৰধানমন্ত্ৰীয়ে অংশগ্ৰহণ কৰিবলগীয়া সভাস্থলী পৰিদৰ্শন কৰি যাৱতীয় প্ৰস্তুতিৰ বুজ লয়। তেওঁ লগতে কেইবাগৰাকী মন্ত্ৰী, বিধায়ক আৰু বিভাগীয় বিষয়াৰ সৈতে এখন পৰ্যালোচনা সভাতো ভাগ লয়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এই সন্দৰ্ভত কয় যে নামৰূপত ব্ৰহ্মপুত্ৰ ভেলী ফাৰ্টিলাইজাৰ কৰ্পোৰেচেন লিমিটেডৰ বৰ্তমানৰ চৌহদত ১০ হাজাৰ কোটিৰো অধিক টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া চতুৰ্থটো সাৰ প্ৰকল্পই ৰাজ্যখনৰ অৰ্থনীতি শক্তিশালী কৰাত সহায় কৰিব। তেওঁ ইয়াৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শলাগ লয়।

**বাইট (সৰ্বানন্দ)**

শ্ৰীসোণোৱালে নামৰূপত নিৰ্মাণ হ'বলগীয়া সাৰ নগৰী বৰনামঘৰ চৌহদৰ পকী দেৱাল নিৰ্মাণৰ কামৰো শুভাৰম্ভ কৰে। অসম চৰকাৰৰ বিশেষ পুঁজিৰে এই দেৱাল নিৰ্মাণ কৰা হ'ব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে নামঘৰত সেৱা লৈ ৰাজ্যবাসীৰ কুশল কামনা কৰাৰ লগতে জনসাধাৰণৰ সৈতে মত-বিনিময় কৰে। শ্ৰীসোণোৱালক সাংসদ ৰামেশ্বৰ তেলী, বিধায়ক তৰংগ গগৈ আৰু ধৰ্মেশ্বৰ কোঁৱৰকে ধৰি কেইবাগৰাকী বিষয়াই সংগ দিয়ে।

০০০০০০

অসমৰ সংবাদ জগতৰ মহীৰূহ, দি আছাম ট্ৰিবিউন কাকতৰ সম্পাদক, আছাম ট্ৰিবিউন প্ৰতিষ্ঠানৰ অধ্যক্ষ তথা বিশিষ্ট সাংবাদিক প্ৰফুল্ল গোবিন্দ বৰুৱাৰ যোৱা নিশা গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৯৩ বছৰ। সিংহপুৰুষ প্ৰয়াত ৰাধাগোবিন্দ বৰুৱাই ৰাজ্যখনৰ সংবাদজগতলৈ আগবঢ়াই থৈ যোৱা অৱদানক ত্বৰান্বিত গতি দি পুত্ৰ প্ৰফুল্ল গোবিন্দ বৰুৱাই এই ক্ষেত্ৰখনক আৰু বেছি সমৃদ্ধ কৰিছে। দীৰ্ঘকাল ধৰি দৈনিক অসম কাকতৰ সম্পাদক হিচাপেও দায়িত্ব পালন কৰা প্ৰফুল্ল গোবিন্দ বৰুৱাই ২০১৮ চনত পদ্মশ্ৰী সন্মান লাভ কৰিছিল। উত্তৰ-পূৰ্বাঞ্চলৰ সাংবদ জগতৰ অন্যতম বৰেণ্য ব্যক্তি বৰুৱাই সাংবাদিকতাৰ ক্ষেত্ৰলৈ আগবঢ়োৱা অৱদানৰ বাবে বহু সন্মান লাভ কৰিছিল। সাহিত্য, কলা আৰু সংস্কৃতিলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে অসম সাহিত্য সভাই তেওঁক সম্বৰ্ধনা জ্ঞাপন কৰিছিল।

ডিব্ৰুগড়ত ১৯৩৩ চনৰ ২৬ জুলাইত জন্মগ্ৰহণ কৰা বৰুৱাই পূৰ্বৰ কটন মহাবিদ্যালয়ত ৰসায়ন বিজ্ঞান বিষয়ত অধ্যয়ন কৰিছিল। পৰৱৰ্তী সময়ত তেওঁ কলকাতাত কলেজীয়া শিক্ষা লাভ কৰি দা ষ্টেট্ছমেন কাকতত সাংবাদিকতাৰ জীৱন আৰম্ভ কৰিছিল আৰু পৰৱৰ্তী সময়ত এই ক্ষেত্ৰখনতে সক্ৰিয়ভাৱে জড়িত হৈ পৰে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰফুল্ল গোবিন্দ বৰুৱাৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে কয়, যে কেইবাটাও দশক ধৰি অসমৰ সংবাদক্ষেত্ৰক মহীয়ান কৰা প্ৰবীন সাংবাদিকগৰাকীয়ে বাতৰি কাকতৰ এটা যাউতিযুগীয়া ধাৰাৰ সৃষ্টি কৰিছিল। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগুকে ধৰি বিভিন্নজনে তেওঁৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে।

আজি দিনৰ ভাগত নৱগ্ৰহ শ্মশানত তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হ'ব। চিকিৎসালয়ৰ পৰা তেওঁৰ নশ্বৰদেহ প্ৰথমে চানমাৰিৰ বাসগৃহলৈ আৰু তাৰ পাছত আছাম ট্ৰিবিউনৰ চৌহদলৈ আনি ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জনোৱা হ'ব।

০০০০০০

রাজ্য চৰকাৰৰ মুখ্য সচিব ড° ৰবি কোটাই কালি নগাঁৱৰ বটদ্ৰৱা সাংস্কৃতিক প্ৰকল্পৰ কাম-কাজ পৰিদৰ্শন কৰি অগ্ৰগতিৰ বুজ লয়। মুখ্য সচিবগৰাকীৰ সৈতে অসম আৰক্ষীৰ মহাপৰিদৰ্শক অখিলেশ কুমাৰ সিং আৰু শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ সচিব সুদৰ্শন ঠাকুৰে প্ৰকল্পটোৰ সামগ্ৰিক পৰিস্থিতিৰ পৰ্যালোচনা কৰে। উল্লেখযোগ্য যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱা থানক বিশ্বমানৰ আধ্যাত্মিক আৰু পৰ্যটন ক্ষেত্ৰ হিচাপে গঢ়ি তোলাৰ বাবে ৰাজ্য চৰকাৰে বটদ্ৰৱা সাংস্কৃতিক প্ৰকল্প শীৰ্ষক এটা অভিলাষী প্ৰকল্প ৰূপায়ণ কৰিছে। অহা ২৯ ডিচেম্বৰত কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে এই প্ৰকল্পটো উদ্বোধন কৰিব। এই অনুষ্ঠানত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ৫০ হাজাৰৰো অধিক ভকত-বৈষ্ণৱৰ সমাগম হোৱাৰ সম্ভাৱনা আছে। অনুষ্ঠানত দুহেজাৰ গায়ন-বায়ন আৰু সহস্ৰাধিক শিল্পীয়ে সত্ৰীয়া সাংস্কৃতিক অনুষ্ঠান পৰিবেশন কৰিব বুলি নগাঁৱৰ পৰা আমাৰ সংবাদদাতাই জনাইছে।

০০০০০০

**সমাপ্ত**